**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-10-2024
**Time :** 07-55 Hrs

***Assamese Morning Bulletin***
***::::::::::::::::::::::::::::::::::::::::::***

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। শাসকীয় বিজেপিয়ে ৩টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ বিপৰীতে কংগ্ৰেছ দলেও ইতিমধ্যে চাৰিটা সমষ্টিৰ বাবে দলীয় প্ৰাৰ্থীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। বিজেপিয়ে ধলাই আসনত নিহাৰ ৰঞ্জন দাস, বিহালীত দিগন্ত ঘাটোৱাৰ আৰু চামগুৰিত দিপ্লুৰঞ্জন শৰ্মাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। আনহাতে কংগ্ৰেছ দলে ধলাই সমষ্টিৰ বাবে ধ্ৰুৱজ্যোতি পুৰকায়স্থ, ছিদলী সমষ্টিত সঞ্জীৱ ওৱাৰী, বঙাইগাঁৱত ব্ৰজেনজিৎ সিনহা আৰু চামগুৰি সমষ্টিৰ বাবে তানজিল হুছেইনৰ নাম প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। শেহতীয়াকৈ ছিদলী বিধানসভা সমষ্টিত ইউপিপিএল দলে কালি নিৰ্মল কুমাৰ ব্ৰহ্মৰ নাম ঘোষণা কৰে। একেদৰে, সমষ্টিটোত বিপিএফ দলেও শুদ্ধোধন বসুমতাৰীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। সমষ্টিটোৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত আমাক অধিক জনাইছে আকাশবাণীৰ চিৰাঙৰ সংবাদদাতা কুঞ্জমোহন ৰায়ে-

**ভইচ কাষ্ট** (কুঞ্জমোহন ৰায়)

উল্লেখযোগ্য যে বঙাইগাওঁ, ছিদলী, ধলাই, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ কৃষি আৰু কৃষক বিভাগৰ ৰাজ্য মন্ত্ৰী ভগীৰথ চৌধুৰী আজি দুদিনীয়া ভ্ৰমণসূচীৰে তিনিচুকীয়াত উপস্থিত হ'ব। মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰাৰ লগতে বৰহাপজানত থকা এখন কৃষি পামো পৰিদৰ্শন কৰিব। ইয়াৰ উপৰি শ্ৰী চৌধুৰীয়ে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শন কৰাৰ লগতে কাইলৈ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন নাগৰিক সন্মিলনতো অংশগ্ৰহণ কৰিব।

০০০০০০০

তিনিচুকীয়া জিলা কৰ্দৈগুৰিত অসম মৰাণ সভা, সদৌ মৰাণ ছাত্ৰ সন্থা, সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰ আৰু মৰাণ জাতীয় মহিলা আঞ্চলিক সমিতিৰ উদ্যোগত কৰ্দৈগুৰি আঞ্চলিক মহাবিদ্যালয়ৰ খেলপথাৰত যুৱ সমাৰোহ নামেৰে এক অনুষ্ঠানৰ আয়োজন কৰিছে। কাইলৈ আৰু পৰহিলৈ দুদিনীয়া কাৰ্যসূচীৰে এই যুৱ সমাৰোহ অনুস্থিত কৰা হ'ব। যুৱ শক্তিক অৰ্থনৈতিক, ৰাজনৈতিক, ক্ৰীড়া, শৈক্ষিক, বৌদ্ধিক আৰু আধ্যাত্মিক দিশৰ প্ৰতি সজাগ কৰা এই যুৱ সমাৰোহৰ প্ৰধান উদ্দেশ্যে। উদ্যোক্তা সমিতিয়ে এই অনুষ্ঠানত ৰাইজৰ অংশগ্ৰহণ কামনা কৰিছে।

০০০০০০০

যোৰহাটত তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞানৰ মুৰববী অধ্যাপক ড০ দিলীপ কুমাৰ কলিতাৰ চতুৰ্থ মৃত্যু বাৰ্ষিকী উপলক্ষে আজি মহাবিদ্যালয়খনত স্মাৰক বক্তৃতা অনুষ্ঠান আৰু গ্ৰন্থ উন্মোচন কৰা হ'ব। আয্যভট্ট বিজ্ঞান কেন্দ্ৰ আৰু নন্দনাথ মহাবিদ্যালয়ে এই অনুষ্ঠানৰ আয়োজন কৰিছে।

০০০০০০০

কৰিমগঞ্জত কালি বিয়লি সংঘটিত অগ্নিকাণ্ডত ছখন দোকান ভস্মীভূত হয়। অঞ্চলটোৰ এখন ৰেস্তোঁৰাৰ পৰা উদ্ভৱ হোৱা এই জুয়ে পৰৱৰ্তী সময়ত কাষৰীয়া আন কেইবাখনো দোকানক সামৰি লয়। স্থানীয় লোকে দিয়া খবৰৰ ভিত্তিত অগ্নি নিৰ্বাপক বাহিনীৰ লোক ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপিত কৰে। এই অগ্নিকাণ্ডৰ কাৰণ সন্দৰ্ভত তদন্ত অব্যাহত আছে বুলি আকাশবাণীৰ কৰিমগঞ্জৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৫ বৰ্ষত অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে অনলাইন পোৰ্টেলৰ জৰিয়তে প্ৰপত্ৰ পূৰণৰ দিন ঘোষণা কৰিছে। এই অনুসৰি sebaregistration.org শীৰ্ষক পোৰ্টেলৰ জৰিয়তে কাইলৈৰ পৰা ১৪ নৱেম্বৰলৈ বিদ্যালয়সমূহে প্ৰপত্ৰ পূৰণ কৰিব পাৰিব বুলি পৰিষদৰ সচিবে প্ৰকাশ কৰিছে। ইপিনে, অনলাইন মাচুল পৰিশোধৰ অন্তিম দিন ১৫ নৱেম্বৰ ধাৰ্য কৰা হৈছে।একেদৰে ১৮ নৱেম্বৰ পৰ্যন্ত চালানৰ ধন পৰিশোধ কৰিব পাৰিব। অনলাইন শুধৰণীৰ বাবে ৩০ নৱেম্বৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। প্ৰপত্ৰ পূৰণৰ নিৰ্দেশনাৱলী ৱেবছাইটত পোৱা যাব বুলিও কোৱা হৈছে।

০০০০০০০

**সমাপ্ত**